দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ জুলাই, ২০১৬ বৃহস্পতিবাৰ

# চেনেহৰ মেহফিলতে ৰহে আজি কোন?



## দৃষ্টি আৰু অনুভৱ

ড° অৰূপজ্যোতি চৌধুৰী

ঈদ বুলিলেই সম্প্ৰীতি, ঈদ বুলিলেই মেহফিল আৰু ঈদ বুলিলেই যেন অপাৰ আৰু নিবিড় আনন্দ। ৰমজানৰ ৰোজা শেষ হ'ল। ঈদৰ জোন ওলাল। ধৰ্মীয় আবেগ-অনুভূতি আৰু সামাজিক পৰম্পৰাৰে ঈদ বিশ্বজুৰি উদ্‌যাপিত হ'ল। ঈদৰ কথা ওলালেই বহুতো স্মৃতি ৰোমন্থন কৰিবলৈ মন যায়। প্ৰথমেই ক'ব লাগিব টম মামাৰ ঘৰৰ ঈদৰ কথা। আচলতে টম মামা অসমৰ সকলোৰে পৰিচিত। কিন্তু টম মামাৰ নামটো সকলোৱে হয়তো নাজানে। মই অসমৰ এসময়ৰ প্ৰসিদ্ধ কৌতুক অভিনেতা প্ৰয়াত মুৰাদ্দিন আলীৰ কথা কৈছো। আমি আটায়ে তেওঁক টম মামা বুলি মাতিছিলো আৰু তেওঁৰ সান্নিধ্যৰ প্ৰতিটো মুহূৰ্তই হিয়া ভৰি উপভোগ কৰিছিলো। টম মামা, মোৰ দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ পৰম বন্ধু আছিল। যদিও দেউতাতকৈ বয়সত সৰু, অভিনয়ৰ জৰিয়তে তেওঁলোক বন্ধুসদৃশ হৈ পৰিছিল। তেওঁৰ মাছখোৱাৰ ঘৰত বিৰাট আয়োজনেৰে ঈদ পাতিছিল। আমি তেতিয়া সৰু। তেওঁৰ ঘৰৰ পোলাউ, মাংস, চেৱৈ আদি খাদ্যৰ কথা মোৰ এতিয়াও মনত পৰে। খোৱাৰ উপৰি সেই সময়খিনি আমি অৰ্থাৎ মোৰ ককাইদেউ, বাইদেউ, ভাইটি আদিৰ স'তে খুব উপভোগ কৰিছিলো। প্ৰতিটো কথাতে ৰসাল বক্তব্য অৱতাৰণা কৰি টম মামাই আচলতে জীৱনৰ অৰ্থই যেন বেলেগ কৰি পেলাইছিল। এইবাৰ ঈদত অসমৰ প্ৰখ্যাত লেখিকা নিকুমণি হুছেইনৰ ঘৰলৈ গ'লো। নিকুমণি হুছেইনক পাঠক সমাজৰ স'তে পৰিচয় কৰাই দিয়াৰ নিশ্চয় প্ৰয়োজন নাই। তেওঁৰ দেউতাক তবিউল হুছেইনো এজন বিশিষ্ট লেখক আৰু এসময়ৰ প্ৰশাসনিক বিষয়া। আমাৰ পৰিয়ালৰ অৰ্থাৎ ককাইদেউ, বাইদেউ আৰু ভাইটিৰ পৰিয়াল সকলোৱে গ'লো নিকুমণিৰ ঘৰৰ ঈদলৈ। আয়োজন দেখি চকু কপালত উঠিল। এতিয়া আৰু আগৰ নিচিনাকৈ খাব নোৱৰা হ'লো। কিন্তু যি আদৰ-অভ্যৰ্থনাৰে নিকুমণিয়ে নিজৰ হাতেৰে ৰন্ধা-বঢ়া কৰি আমাৰ কাৰণে অপেক্ষা কৰি আছিল, সেই আন্তৰিকতা দেখি সঁচাকৈয়ে মুগ্ধ হৈছিলো। আজি কিছুদিনৰ আগতে তবিউল হুছেইনৰ অলপ অসুখ হৈছিল। আমি শুনিছিলো যে দৰৱ খাই উঠি তেওঁ ৰাতি চাৰে আঠ বজাত নিশাৰ আহাৰ গ্ৰহণ কৰে আৰু তাৰ পাছতে শোৱাপাটীত উঠে। কিন্তু সেইদিনা তেওঁ আমাৰ কাৰণে ৰাতি বহু দেৰিলৈকে সকলোৰে লগতেই থাকিল। তেওঁৰ আন্তৰিকতা আৰু সৰলতাই আমাৰ পৰিয়ালৰ আটাইকে মুগ্ধ কৰিলে। ঈদৰ প্ৰসংগ উল্লেখ কৰোতেই মোৰ মাজে মাজে মনত পৰিছে যে আজিকালি লাহে লাহে যেন ক'ৰবাত সাম্প্ৰদায়িক ভেদাভেদে আমাৰ মনত ঠাই ল'বলৈ লৈছে। ক'ব নোৱাৰো এই পৰিস্থিতি বাৰু ভাৰতবৰ্ষৰ দৰে এখন দেশত সামান্যতম পৰ্যায়ত হোৱাটোও ভাবিব পাৰিনে? আমি যিটো পৰিবেশত ডাঙৰ হৈছিলো, সেইখন সমাজত হিন্দু-মুছলমানৰ প্ৰভেদৰ কথা কল্পনাও কৰিব নোৱাৰিছিলো। মোৰ মনত আছে আমাৰ মায়ে আমাৰ পৰীক্ষাৰ আগে আগে উগ্ৰতাৰা মন্দিৰ আৰু আমবাৰীতে থকা বুঢ়া মছজিদ দুয়োটাতেই প্ৰাৰ্থনা কৰিছিল। মাহঁততো বহুত আগৰ মানুহ। কোনোদিনেই তেওঁলোকৰ দৃষ্টিভংগীত আমি এনে এটা বিভেদৰ কোনো পৰিচয়েই পোৱা নাছিলো। মোৰ মা বহুদিন ধৰি ৱাৰ্ধাৰ গান্ধী আশ্ৰমত আছিল। গান্ধী আশ্ৰমত থাকোতেই সকলো ধৰ্মৰ স'তে মিলাপ্ৰীতিৰে জীৱনশৈলী গঢ়ি তোলাটোৱে মাহঁতৰ কাৰণে যেন জীৱনৰ পৰম সত্য আছিল। সেয়েহে এনে এটা পৰিবেশত আমি কেৱল মানুহৰ পৰিচয়হে পাইছিলো— কোনো ধৰ্মৰ পৰিচয় নহয়। সেই সাধাৰণ মূল্যবোধৰ অভিজ্ঞতাই হয়তো আজি আমাক সেই সম্প্ৰীতিৰ এনাজৰীৰে জীয়াই থকাৰ প্ৰেৰণা দিছে। এইখিনিতে উল্লেখ কৰিব খুজিছো যে অসমৰ সমাজখন ইমান উদাৰ যে যদি কোনোবাই সাম্প্ৰদায়িক ভেদাভেদেৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ চেষ্টা কৰে, মই নিশ্চিত যে মানুহৰ সামূহিক প্ৰজ্ঞাৰে সেই শক্তিসমূহ যেন নিঃশেষ হৈ পৰিব।

উল্লেখযোগ্য যে আজিৰ পৃথিৱীত কিছুমান শক্তিয়ে পৱিত্ৰ ইছলামৰ নাম লৈয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে নিষ্ঠুৰ হিংসাৰ পথ গ্ৰহণ কৰিছে। বিশেষকৈ আইছিছৰ নামত শেহতীয়াভাৱে যিবোৰ ঘটনা বিশ্বজুৰি ঘটিবলৈ লৈছে, সেইবোৰৰ পৰাই এই কথা স্পষ্ট হৈছে যে ইছলামৰ নাম লৈ এয়া এক শ্ৰেণী মানুহৰ কেৱল মাত্ৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ পৰিকল্পনাহে। কিছুমানে আকৌ এনেদৰেও ক'ব খোজে যে এয়া যেন 'Clash of civilization' সভ্যতাৰ সংঘাত এয়া। ছেমুৱেল পি হান্টিংটনে তেওঁৰ এই নামৰ পুথিখনত এই সভ্যতা-সংঘাতৰ তত্ত্ব আমাৰ আগত দাঙি ধৰিছে। কিন্তু সঁচাকৈয়ে বাৰু এয়া সভ্যতাৰ সংঘাত হয়নে? দৰাচলতে মানুহৰ সভ্যতাৰ সামূহিক প্ৰজ্ঞাক অস্বীকাৰ কৰাৰহে এয়া এক ভয়াবহ ষড়যন্ত্ৰ। যি ইছলামে কেৱল মাত্ৰ শান্তি আৰু শান্তিয়েই বিচাৰে আৰু যুগ যুগ ধৰি শান্তি আৰু সম্প্ৰীতিৰ এনাজৰীৰে পৃথিৱীৰ মানুহক একত্ৰিত কৰাৰ অহৰহ প্ৰচেষ্টা চলাই আছে, আইছিছ নামৰ সংগঠনটো বাৰু 'ইছলাম' শব্দটো উচ্চাৰণ কৰাৰ যোগ্যনে? কেৱল আইছিছৰ কথাই নহয়, আমেৰিকাৰ সমাজ ব্যৱস্থাতো আমি দেখিছো যে প্ৰাচুৰ্যই আমাৰ সমাজ আৰু জীৱন যেন কোঙা কৰি পেলাইছে। সেয়েহে পৃথিৱীত আজি খুউব প্ৰয়োজন শান্তি আৰু অন্তৰৰ সুখৰ। সুখ একান্তই ব্যক্তিগত। এজন ব্যক্তিয়ে অতি সাধাৰণ কথা এটাতেই সুখ পাব পাৰে বা বিৰাট এক সফলতায়ো তেওঁক সুখ দিব নোৱাৰিব পাৰে। ধৰ্মই হয়তো আমাক সকলোকে এনে এক পথ প্ৰদৰ্শন কৰিব পাৰে য'ত আমি মনেৰে সুখী হ'ম, কাৰো অন্যায় নকৰো আৰু মানুহ জাতিৰ সামগ্ৰিক কল্যাণৰ কাৰণে উৎসৰ্গিত হ'ম। তাৰ পৰিৱৰ্তে ধৰ্মৰ নামত, লক্ষ্য পূৰণৰ নামত, হিংসাক আশ্ৰয় দিয়াটো যুগুত হ'বনে? সেয়েহে আজি ভাবিছো যে ঈদৰ চেনেহৰ মেহফিলত আজি কোন কোন ৰহি প্ৰতিশ্ৰুতিবদ্ধ হ'ব যে আমি কোনেও মানুহৰ অন্যায় হোৱা একো কামেই নকৰো।



ফোন: ৯৭০৮৪৮০০১২